বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাৰ অসমীয়া বিভাগৰ অধীনত
পিএইচ.ডি. ডিগ্ৰীৰ বাবে দাখিল কৰিবলগীয়া
গৱেষণা-গ্ৰন্থৰ

সংক্ষিপ্ত-সাৰ

গৱেষক

Upashana Choudhury

উপাসনা চৌধুৰী

ৰোলনং **Ph.DASM19D001**

অসমীয়া বিভাগ

বড়োলেণ্ড বিশ্ববিদ্যালয়

কোক্ৰাঝাৰ, বি.টি.এ.ডি., অসমলয়

তত্ত্বাৱধায়ক

ড° ডেইজী ৰাণী ডেকা

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

বড়োলেণ্ড বিশ্ববিদ্যালয়

কোক্‌ৰাঝাৰ, বি.টি.এ.ড়ি., অসম

Dr. Daisy Rani Deka
Research Guide
Department of Assamese
Bodoland University, Kokrajhar

বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাৰ অসমীয়া বিভাগৰ অধীনত
পিএইচ.ডি. ডিগ্ৰীৰ বাবে দাখিল কৰিবলগীয়া
গৱেষণা-গ্ৰন্থৰ

সংক্ষিপ্ত-সাৰ

গৱেষক

উপাসনা চৌধুৰী

অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
কোক্ৰাঝাৰ, বি.টি.এ.ডি., অসম

শিল্প ভৌতিক সংস্কৃতিৰ এক উল্লেখযোগ্য উপাদান। ই মানৱ-জীৱন প্ৰবাহৰ সৈতে নিবিড়ভাৱে জড়িত। আদিম কালত মানুহে দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা বিভিন্ন সা-সঁজুলি, বয়-বস্তু আদি নিজা কল্পনা আৰু প্ৰতিভাৰে নিৰ্মাণ কৰিছিল। সভ্যতাৰ বিৱৰ্তন আৰু উত্তৰণৰ লগে লগে মানুহৰ চিন্তা-চেতনা, বুদ্ধি আৰু দক্ষতাৰ বিকাশ সাধন হ'ল। পৰিণতিস্বৰূপে, মানুহৰ মনোজগতত নতুন নতুন সৃষ্টিৰ বাট মুকলি হ'ল আৰু সেই সৃষ্টিসমূহে গোষ্ঠী বা সম্প্ৰদায় অনুসৰি পৰম্পৰাগত ৰূপ লাভ কৰিলে। এনেদৰে ক্ৰমবিৱৰ্তনৰ ফলত মানুহৰ নিত্য ব্যৱহাৰ্য প্ৰায়বোৰ বস্তু, সা-সঁজুলি আদি শিল্পৰ পৰ্যায়লৈ উন্নীত হ'ল।

সাধাৰণতে চৌপাশৰ প্ৰাকৃতিক পৰিৱেশত উপলব্ধ বিভিন্ন উপকৰণ তথা সামাজিক অৱস্থিতিৰ ভিত্তিত মানুহে বিভিন্ন শিল্পবস্তু বা সা-সঁজুলি নিৰ্মাণ কৰে। সেয়েহে একোখন সমাজত উপলব্ধ তথা নিৰ্মিত শিল্পবস্তুসমূহৰ জৰিয়তে সেই সমাজৰ আবেগ-অনুভূতি, সৌন্দৰ্য-চেতনা, পৰিৱেশ-পৰিস্থিতিগত কাৰক, সাংস্কৃতিক মূল্যবোধ, আচাৰ-আচৰণ, ৰুচিবোধ আদিৰ উমান পোৱা যায়। দৰাচলতে শিল্পই নিৰ্দিষ্ট সমাজ তথা সংস্কৃতিৰ সমকালীন বাস্তৱতাৰ প্ৰকাশ ঘটায়। সংগীত, নৃত্য, নাট্য, চিত্ৰ, ভাস্কৰ্য আদি সকলো শিল্পৰ পৰিসৰৰ অন্তৰ্ভুক্ত যদিও শিল্পৰ মাজত কেৱল চাক্ষুষ বা দৃষ্টিগ্ৰাহ্য কলাৰ সমন্বয় ঘটিছে। সংগীত, নৃত্য, নাট্য আদিবোৰ পৰিৱেশ্য কলাৰ অন্তৰ্ভুক্ত। অৰ্থাৎ যি কৰ্মত চাক্ষুষ কলাৰ সমন্বয় সাধন হৈছে, তাকে 'শিল্প' হিচাপে অভিহিত কৰিব পাৰি। শিল্পৰ সৈতে সৌন্দৰ্যবোধ আৰু নান্দনিকতাৰ নিবিড় সম্পৰ্ক আছে।

নিৰ্দিষ্ট এক ভৌগোলিক পৰিৱেষ্টনৰ মাজত বসবাস কৰি থকা গ্ৰাম্য, চহা, অনাখৰী বা সামান্যভাৱে লিখা-পঢ়া জনা কৃষিজীৱী একোটা মানৱ-গোষ্ঠী; যিয়ে সুদীৰ্ঘ কাল জুৰি জাতিগত একোটা প্ৰাচীন ঐতিহ্য বা পৰম্পৰা বহন কৰি থাকে, সেই মানৱ-গোষ্ঠীকে 'লোক' বুলি অভিহিত কৰিব পাৰি। গতিকে গ্ৰাম্য, অনাখৰী বা চহা শৈল্পিক মনৰ লোকে প্ৰাত্যহিক জীৱনৰ প্ৰয়োজনাৰ্থে প্ৰাকৃতিক উপকৰণৰ সহায়ত যিবোৰ শিল্প সৃজন কৰে, সেইবোৰ শিল্পকে 'লোকশিল্প' বোলা হয়। লোকশিল্পৰ মাজত গ্ৰাম্য জীৱন-দৰ্শন তথা গ্ৰাম্য সমাজ-ভাৱনা প্ৰতিফলিত হয়। তদুপৰি ইয়াৰ জৰিয়তে সংশ্লিষ্ট সমাজৰ পাৰিপাৰ্শ্বিক অৱস্থা আৰু লোক-সাংস্কৃতিক বিশিষ্টতাৰো আভাস পাব পাৰি।

নামনি অসম তথা সমগ্ৰ অসমৰে কলা-সাহিত্য-সংস্কৃতিৰ ইতিহাসত বৰপেটা জিলাৰ এক বিশেষ স্থান আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱকে প্ৰমুখ্য কৰি শ্ৰীশ্ৰীমাধৱদেৱ, ভট্টদেৱ, দামোদৰদেৱ, গোপালদেৱ, হৰিদেৱ, মথুৰাদাস বুঢ়া আতা আদি নৱবৈষ্ণৱ ধৰ্মৰ পুৰোধা ব্যক্তিসকলে জীৱনৰ অধিকাংশ সময় বৰপেটাতে থাকি ধৰ্ম, সাহিত্য-শিল্প-সংস্কৃতিৰ চৰ্চা আৰু প্ৰচাৰ কৰিছিল। ফলত নৱবৈষ্ণৱ ধৰ্ম তথা সত্ৰীয়া সংস্কৃতিৰ প্ৰধান কেন্দ্ৰস্থল হিচাপে বৰপেটা জিলাখনে সেই সময়ৰপৰা আজি পৰ্যন্ত বিশেষ ঐতিহ্য আৰু গুৰুত্ব বহন কৰি আহিছে। বৰপেটা জিলাৰ প্ৰধান সত্ৰ-অনুষ্ঠানসমূহৰ ভিতৰত বৰপেটা সত্ৰ, পাটবাউসী থান, গণককুছি সত্ৰ, সুন্দৰীদিয়া সত্ৰ, জনীয়া সত্ৰ, বাৰাদি সত্ৰ, সত্ৰ কনৰা, মইনবাৰী সত্ৰ, গোমূৰা সত্ৰ আদিত লোকশিল্পৰ নিৰ্মাণ আৰু চৰ্চা বিশেষ মৰ্যাদাৰে অব্যাহত আছে। এই ক্ষেত্ৰত

বৰপেটা জিলাৰ সদৰতে অৱস্থিত বৰপেটা সত্ৰকেন্দ্ৰিক লোকশিল্পৰ সমলসমূহে অতীজৰেপৰা বিশেষ প্ৰসিদ্ধি লাভ কৰি আহিছে। সত্ৰখনৰ পৃষ্ঠপোষকতাত নিৰ্মাণ হোৱা সত্ৰীয়া ভাস্কৰ্য আৰু বাদ্য, গুৰু আসন শিল্প, মৃৎশিল্প, আতচবাজী শিল্প আদি লোকশিল্পসমূহৰ সামাজিক-সাংস্কৃতিক গুৰুত্ব অপৰিসীম। সত্ৰকেন্দ্ৰিক এই লোকশিল্পসমূহে ধৰ্মীয় তথা আধ্যাত্মিক পৰিৱেশ সংৰচনাৰ লগতে পৰম্পৰাগত সৃজনী-প্ৰতিভাৰ মূৰ্ত প্ৰকাশ ঘটাইছে। সত্ৰীয়া পৰিৱেশত নিৰ্মিত এই লোকশিল্পসমূহৰ স্বকীয় বিশেষত্বসমৃদ্ধ নিৰ্মাণ-শৈলী তথা শৈল্পিক সৌন্দৰ্য, শিল্প অনুসাৰে সেইবোৰৰ মাজত নিহিত প্ৰতীকী অৰ্থ আদিয়ে যুগে যুগে শিল্প-ৰসিকসকলক আকৰ্ষণ কৰি আহিছে।

ধাতুৰে নিৰ্মিত শিল্প-সামগ্ৰীৰ ক্ষেত্ৰতো বৰপেটা জিলাখনে অতীজৰে পৰা বিশেষ খ্যাতি লাভ কৰি আহিছে। এই ক্ষেত্ৰত সমগ্ৰ অসম জুৰি সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্পৰ বিশেষ জনপ্ৰিয়তা আছে। ইয়াত উৎপাদিত হোৱা কাঁহী-বাটি, বানকাঁহী-বানবাটি, শৰাই, বটা, ভোৰতাল, বৰতাল, খুটিতাল, মঞ্জিৰা আদি অসমৰ লগতে অসমৰ বাহিৰলৈও ৰপ্তানি কৰা হয়। সেইদৰে বৰপেটাৰ বিভিন্ন স্থানত নিৰ্মাণ হৈ থকা সোণ-ৰূপ-তাম আদি ধাতুকেন্দ্ৰিক আ-অলংকাৰ শিল্প, লো-শিল্প আদি শিল্পসমূহো বিশেষ বৈশিষ্ট্যসম্পন্ন।

প্ৰাকৃতিক সমলেৰে তৈয়াৰী শিল্পজাত সামগ্ৰীসমূহৰ ক্ষেত্ৰতো বৰপেটা জিলাখনৰ পৰিচয় সুকীয়া। এই ক্ষেত্ৰত বৰপেটাৰ হাতী দাঁতৰ শিল্প ইতিহাস প্ৰসিদ্ধ। সম্প্ৰতি এই শিল্পই অস্তিত্ব ৰক্ষাৰ বাবে যুঁজিব লগা হৈছে। তাৎপৰ্যপূৰ্ণ যে অসমৰ ভিতৰত কেৱল বৰপেটাতহে এই শিল্প ক্ষীণভাৱে হ'লেও জীয়াই আছে। তদুপৰি বৰপেটাৰ বাঁহ-বেত শিল্প, কাঠ শিল্প, মৃৎ শিল্প আদি শিল্পসমূহৰ ক্ষেত্ৰতো স্বকীয়তা বিদ্যমান। সামাজিক-সাংস্কৃতিক দিশেৰেও শিল্পসমূহৰ বিশেষ গুৰুত্ব আছে।

লোকশিল্পৰ ক্ষেত্ৰত এখন সমৃদ্ধিশালী জিলা হিচাপে বৰপেটাৰ অৰিহণা, এই অঞ্চলৰ লোকশিল্পসমূহৰ স্বকীয়তা, সমাজ-সাংস্কৃতিক প্ৰেক্ষাপটত শিল্পসমূহৰ ব্যাৱহাৰিক প্ৰয়োজনীয়তা তথা আধুনিকতাৰ ধামখুমীয়াত এই শিল্পসমূহৰ অস্তিত্ব বা উপযোগিতাৰ প্ৰসংগ লোকসাংস্কৃতিক দৃষ্টিভংগীৰে অধ্যয়ন কৰাৰ বিশেষ প্ৰয়োজনীয়তা আছে। তদুপৰি লোকশিল্পসমূহৰ চৰ্চা আৰু চাহিদা সাম্প্ৰতিক বজাৰ-সৰ্বস্ব পৰিস্থিতিৰ প্ৰেক্ষাপটত এক গভীৰ আলোচনাৰ বিষয়। কিয়নো অৰ্থনৈতিক গুৰুত্ব আৰু স্বনিয়োজনৰ প্ৰসংগৰ অবিহনে লোকশিল্পসমূহৰ চৰ্চা আৰু নিৰ্মাণ কেৱল পৰম্পৰাৰ খাতিৰতে শিল্পীসকলে কৰি থাকিব বুলি আশা কৰিব নোৱাৰি। এই ক্ষেত্ৰত বৰপেটাৰ লোকশিল্পীসকলে এই শিল্প-সামগ্ৰীসমূহ নিৰ্মাণৰ জৰিয়তে কেনেদৰে অৰ্থনৈতিকভাৱে লাভান্বিত হৈছে তথা স্বনিয়োজনৰ ক্ষেত্ৰত এই শিল্পবোৰে কেনেদৰে ভূমিকা পালন কৰিছে, সেই সম্পৰ্কীয় অধ্যয়নো লোকশিল্পৰ অধ্যয়নৰ ক্ষেত্ৰত এক অন্যতম প্ৰাসংগিক দিশ। সেইদৰে বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব বিকাশ আৰু যোগাযোগ ব্যৱস্থাৰ দ্ৰুত সম্প্ৰসাৰণৰ সাম্প্ৰতিক সময়ত পৰম্পৰাগত সাংস্কৃতিক সমলসমূহৰ ৰক্ষণাৱেক্ষণ তথা সংৰক্ষণৰ প্ৰসংগও অতি গুৰুত্বপূৰ্ণ। এই দিশৰ প্ৰতি দৃষ্টি ৰাখি বৰপেটাৰ লোকশিল্পসমূহৰ সাম্প্ৰতিক আৰু ভৱিষ্যতৰ স্থিতি সম্পৰ্কীয় অধ্যয়নৰো বিশেষ প্ৰয়োজন। মুঠতে বৰপেটা জিলাৰ লোকশিল্পসমূহৰ প্ৰচাৰ-প্ৰসাৰ, সংৰক্ষণ-

সংবৰ্ধন তথা পোষণৰ প্ৰসংগত বৰপেটাৰ লোকশিল্প সম্পৰ্কীয় বিশদ অধ্যয়নৰ প্ৰাসংগিকতা আছে।

এনে প্ৰয়োজনীয়তা আৰু প্ৰাসংগিকতাৰ প্ৰতি লক্ষ্য ৰাখি এই গৱেষণা-কৰ্মত সামগ্ৰিকভাৱে বৰপেটা জিলাৰ লোকশিল্পসমূহৰ পুংখানুপুংখভাৱে পৰিচয় জ্ঞাপন কৰিবলৈ প্ৰয়াস কৰা হৈছে। এই ক্ষেত্ৰত লোকশিল্পসমূহৰ সাংস্কৃতিক পটভূমি তথা নিৰ্মাণত ব্যৱহৃত কেঁচা-সামগ্ৰী অনুসৰি এইবোৰক সুকীয়া সুকীয়াকৈ বিভাজন কৰি প্ৰতিবিধ লোকশিল্পৰ ইতিহাস, নিৰ্মাণ-পদ্ধতি, নিৰ্মাণৰ লগত জড়িত সঁজুলি আৰু কেঁচা-সামগ্ৰী, ব্যাৱহাৰিক প্ৰয়োজনীয়তা তথা ক্ষেত্ৰ, অৰ্থনৈতিক তথা স্বনিয়োজনৰ ক্ষেত্ৰত লোকশিল্পবোৰৰ ভূমিকা, এইবোৰৰ সাংস্কৃতিক গুৰুত্ব আৰু তাৎপৰ্য আদি দিশসমূহক অধ্যয়ন-পৰিসৰত সামৰি লোৱা হৈছে। আনুষংগিকভাৱে লোকশিল্প অনুসৰি এইবোৰৰ শৈল্পিক সৌন্দৰ্য, নিৰ্মাণৰ লগত জড়িত হৈ থকা শিল্পীসকলৰ পৰিচয়ো তুলি ধৰা হৈছে। এনে অধ্যয়নৰ জৰিয়তে অদূৰ ভৱিষ্যতৰ বাবে এই সমলবোৰ অক্ষতভাৱে উত্তৰ পুৰুষৰ বাবে জীয়াই ৰখাৰ ক্ষেত্ৰত বিশেষ সহায়ক হ'ব বুলি বিবেচনা কৰিব পাৰি।

প্ৰধানকৈ ক্ষেত্ৰ-অধ্যয়নৰ জৰিয়তে সংগৃহীত তথ্যৰ আধাৰত যুগুত কৰা এই গৱেষণা-কৰ্মত বিষয়-বিশ্লেষণৰ বাবে বিশ্লেষণাত্মক পদ্ধতিৰ অৱলম্বন কৰা হৈছে। তদুপৰি প্ৰয়োজনসাপেক্ষে গৌণ উৎসৰ পৰাও সংগ্ৰহ কৰা তথ্যৰ সহায় গ্ৰহণ কৰা হৈছে।

'বৰপেটা জিলাৰ লোকশিল্প ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক এই গৱেষণা-কৰ্মটি প্ৰস্তুত কৰিবলৈ যাওঁতে 'অৱতৰণিকা' আৰু 'উপসংহাৰ' অংশকেইটাক বাদ দি মুঠ পাঁচোটা অধ্যায়ত বিষয়ৰ আলোচনা দাঙি ধৰা হৈছে। 'অৱতৰণিকা' অংশত বিষয়-অধ্যয়নৰ সামগ্ৰিক পৰিচয়সহ এই গৱেষণা কৰ্মত অৱলম্বন কৰা পদ্ধতি আৰু পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাক অন্তৰ্ভুক্ত কৰা হৈছে।

বৰপেটা জিলাৰ সমাজ-সাংস্কৃতিক ইতিহাস শীৰ্ষক **প্ৰথম অধ্যায়**ত বৰপেটা জিলাৰ সমাজ-সংস্কৃতিৰ সামগ্ৰিক পৰিচয় দাঙি ধৰা হৈছে। এই ক্ষেত্ৰত বৰপেটাৰ ভৌগোলিক অৱস্থিতি তথা ইয়াৰ পৰিসৰ, পাৰিপাৰ্শ্বিক অৱস্থা; বৰপেটা জিলাৰ ঐতিহাসিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক, অৰ্থনৈতিক, ভাষিক আৰু ধৰ্মীয় বিভিন্ন দিশ সামৰি সামগ্ৰিক আলোচনা আগবঢ়োৱা হৈছে।

অসমীয়া সংস্কৃতি আৰু লোকশিল্প শীৰ্ষক **দ্বিতীয় অধ্যায়**ত অধ্যয়নৰ তাত্ত্বিক দিশসমূহ সামৰি বিষয়গত ধাৰণাসমূহক প্ৰতিষ্ঠাপন কৰা হৈছে। এই প্ৰসংগত সংস্কৃতিৰ ধাৰণা আৰু অসমীয়া সংস্কৃতিৰ অন্তৰ্গত বিভিন্ন দিশ, যেনে ঃ লোকসাহিত্য, সামাজিক আচাৰ-অনুষ্ঠান, ভৌতিক সংস্কৃতি আৰু পৰিৱেশ্য কলা সম্পৰ্কে চমু আভাস দাঙি ধৰা হৈছে। লগতে ভৌতিক সংস্কৃতিৰ অন্তৰ্গতভাৱে শিল্প তথা লোকশিল্পৰ ধাৰণা আৰু সংজ্ঞা, লোকশিল্পৰ বিশেষত্ব, ভিন্নজাত শিল্পৰ লগত লোকশিল্পৰ সম্পৰ্ক আৰু পাৰ্থক্য, অসমীয়া সংস্কৃতিৰ অন্তৰ্গতভাৱে লোকশিল্পৰ বিবিধ উপাদান, লোকশিল্পৰ সৈতে সংশ্লিষ্ট সমাজৰ পাৰিপাৰ্শ্বিকতাৰ প্ৰসংগ, সামাজিক ক্ষেত্ৰত লোকশিল্পৰ গুৰুত্ব আদি দিশসমূহক সামৰি বিশ্লেষণ দাঙি ধৰা হৈছে।

তৃতীয় অধ্যায়ৰ বিষয়বস্তুৰূপে **সত্ৰকেন্দ্ৰিক লোকশিল্প**সমূহক সামৰি লোৱা হৈছে। এই অধ্যায়ত

সত্ৰৰ চমু পৰিচয়সহ বৰপেটাৰ বিভিন্ন সত্ৰৰ পৃষ্ঠপোষকতাত চৰ্চিত, নিৰ্মিত আৰু ৰক্ষিত হৈ থকা ভিন্ন লোকশিল্পসমূহ, যেনে ঃ গুৰু আসন শিল্প, সত্ৰীয়া ভাস্কৰ্য, সত্ৰীয়া বাদ্য, আতচ্‌বাজী শিল্প আদিবোৰৰ পৰিচয়, নিৰ্মাণৰ লগত জড়িত হৈ থকা শিল্পীসকলৰ পৰিচয়, নিৰ্মাণ-শৈলী, নিৰ্মাণত ব্যৱহাৰ হোৱা কেঁচামাল, শৈল্পিক মান, লোকশিল্পবোৰৰ সাংস্কৃতিক তথা আধ্যাত্মিক গুৰুত্ব আৰু তাৎপৰ্য তথা এই সকলোবোৰৰ ভৱিষ্যৎ সম্পৰ্কে বিচাৰ-বিশ্লেষণ আগবঢ়োৱা হৈছে।

চতুৰ্থ অধ্যায়ত বৰপেটা জিলাৰ **ধাতুকেন্দ্ৰিক লোকশিল্প**সমূহৰ বিষয়ে আলোচনা কৰা হৈছে। এই ক্ষেত্ৰত বৰপেটা জিলাৰ সৰ্থেবাৰী অঞ্চলৰ কাঁহ-পিতল শিল্প, বৰপেটাৰ কমাৰ শিল্প, সোণ-ৰূপ-তাম আদি ধাতুৰে নিৰ্মাণ হোৱা আ-অলংকাৰ শিল্প-সামগ্ৰীবোৰৰ পৰিচয়, নিৰ্মাণ-পদ্ধতি, নিৰ্মাণত ব্যৱহাৰ হোৱা কেঁচা-সামগ্ৰী আৰু সা-সঁজুলি, শিল্পীসকলৰ পৰিচয়, অৰ্থনৈতিক আৰু স্বাৱলম্বনৰ ক্ষেত্ৰত এই শিল্পবোৰে গ্ৰহণ কৰি অহা ভূমিকা, সাংস্কৃতিক ক্ষেত্ৰত শিল্পবস্তুবোৰৰ গুৰুত্ব আদি দিশসমূহৰ লগতে পৰিৱৰ্তিত সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটত এই লোকশিল্পসমূহৰ সাম্প্ৰতিক আৰু ভৱিষ্যৎ স্থিতি সম্পৰ্কেও আলোচনা কৰা হৈছে।

প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্প শীৰ্ষক গৱেষণা কৰ্মটোৰ অন্তিম অৰ্থাৎ **পঞ্চম অধ্যায়**ত বিভিন্ন প্ৰাকৃতিক উপাদান, যেনে —হাতী দাঁত, মাটি, বাঁহ-বেত, কাঠআদিৰে নিৰ্মাণ কৰা লোকশিল্পবোৰৰ লগতে বৰপেটা জিলাৰ বয়ন শিল্পৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা হৈছে। এই শিল্পবোৰৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে অধ্যয়নাৰ্থ লোকশিল্পসমূহৰ পৰিচয়সহ কেইটিমান নিৰ্দিষ্ট দিশত আলোকপাত কৰা হৈছে। সেয়া হ'ল — এই লোকশিল্পসমূহৰ ইতিহাস, শিল্পজাত সামগ্ৰীবোৰ নিৰ্মাণৰ লগত জড়িত শিল্পীসমূহৰ পৰিচয়, শিল্পবোৰৰ নিৰ্মাণ-পদ্ধতি আৰু এই ক্ষেত্ৰত ব্যৱহাৰ হোৱা সঁজুলিবোৰৰ পৰিচয়, শিল্পজাত বস্তুবোৰৰ সামাজিক-সাংস্কৃতিক গুৰুত্ব আদি। তদুপৰি সাম্প্ৰতিক তথ্য-প্ৰযুক্তিনিৰ্ভৰ যুগত শিল্পবোৰে সন্মুখীন হৈ অহা সমস্যাৰাজিৰ বিশ্লেষণেৰে লোকশিল্পসমূহৰ বৰ্তমান আৰু ভৱিষ্যতৰ সম্ভাৱনীয় স্থিতি সম্পৰ্কীয় বিচাৰ-বিশ্লেষণো অধ্যয়নৰ পৰিসৰত সামৰি লোৱা হৈছে।

বৰপেটা জিলাৰ লোকশিল্পসমূহৰ বিষয়ে উল্লিখিত ধৰণে কৰা অধ্যয়ন-বিশ্লেষণৰ শেষত তথা বিষয়-সংশ্লিষ্ট মূল আলোচনাসমূহৰ ভিত্তিত উপনীত হোৱা সিদ্ধান্তসমূহ 'উপসংহাৰ'ত দাঙি ধৰা হৈছে। এই ক্ষেত্ৰত গৱেষণা-কৰ্মটোৰ মূল তিনিটা অধ্যায় ক্ৰমে 'সত্ৰকেন্দ্ৰিক লোকশিল্প', 'ধাতুকেন্দ্ৰিক লোকশিল্প' আৰু 'প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্প' অনুসৰি সিদ্ধান্তবোৰ সুকীয়াকৈ বিভাজন কৰি দেখুওৱা হৈছে। অধ্যয়নৰ জৰিয়তে প্ৰাপ্ত সিদ্ধান্তবোৰ নিম্নলিখিত এনেধৰণৰ—

সত্ৰকেন্দ্ৰিক লোকশিল্প সম্পৰ্কীয় ঃ

- বৰপেটা জিলা সত্ৰকেন্দ্ৰিক লোকশিল্পৰ ভঁৰালস্বৰূপ। ইয়াৰ লোকশিল্পবোৰত বিশেষকৈ গুৰু আসন শিল্প আৰু সত্ৰীয়া ভাস্কৰ্যসমূহৰ মাজত প্ৰতিফলিত হোৱা শিল্পগত কাৰুকাৰ্য, ৰঙৰ ব্যৱহাৰৰ কৌশল আৰু সুনিপুণ শিল্প চেতনাই সত্ৰীয়া আধ্যাত্মিক পৰিৱেশক এক অনন্য মাত্ৰা প্ৰদান কৰিছে।
- বৰপেটা সত্ৰৰ মূল কীৰ্তনঘৰত তিনিখন গুৰু আসন আছে। গুৰু আসন কেইখনৰ কিছু অংশহে

কাঠৰ, বেছিভাগ ৰূপেৰে তৈয়াৰী। নান্দনিক আৰু শিল্পসন্মত কাৰুকাৰ্যৰে খচিত এই গুৰু আসন কেইখনে নৱ বৈষ্ণৱ ধৰ্মীয় আদৰ্শক বিশেষ গভীৰতা প্ৰদান কৰিছে।

- বৰপেটা সত্ৰৰ কীৰ্তনঘৰৰ বেৰত খোদিত ভাস্কৰ্যবোৰ সামাজিক বাৰ্তাজ্ঞাপক। এইবোৰৰ মাজেৰে ভাৰতীয় আধ্যাত্মিক বিশ্বাস আৰু তত্ত্ব জীৱন্ত ৰূপত প্ৰতিফলিত হৈছে।
- বৰপেটা সত্ৰৰ সত্ৰীয়া ভাস্কৰ্যসমূহে বৈষ্ণৱ ধৰ্মৰ মূল বাণীক জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি আহিছে। শিল্পীৰ কল্পনা-শক্তি, নিপুণতা, ধৰ্মীয় প্ৰজ্ঞা এইবোৰৰ মাজেৰে প্ৰকাশিত হৈছে।
- অসমৰ বিভিন্ন ঠাইৰ উপৰিও দেশী-বিদেশী বহু পৰ্যটক বৰপেটা সত্ৰলৈ সঘনে আগমণ হয়। ইয়াৰ ফলত বৰপেটা সত্ৰৰ চৌপাশে অৱস্থিত সত্ৰীয়া শিল্প-নিৰ্মাণৰ প্ৰতিষ্ঠানসমূহৰ পৰা পৰ্যটকসকলে বিবিধ সত্ৰীয়া শিল্পবস্তু, যেনে ঃ গুৰু আসন, মাটিৰ চাকি, গছা আদি ক্ৰয় কৰে। লোকশিল্পৰ ক্ষেত্ৰত দেখা পোৱা এনে স্থিতিয়ে এইবোৰৰ প্ৰচাৰ-প্ৰসাৰত ভূমিকা গ্ৰহণ কৰাৰ লগতে অৰ্থনৈতিক দিশতো লোকশিল্পীসকলক সহায় কৰিছে।
- বৰপেটাত ঐতিহাসিক কালৰ পৰা বিশেষ কেইটিমান পৰিয়ালে আতচ্‌বাজী শিল্পবিধৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ ইয়াৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। সম্প্ৰতি মুঠ পাঁচোটা পৰিয়াল এই শিল্পবিধৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ আছে।
- বৰপেটাৰ আতচ্‌বাজী শিল্পত বিবিধ শিল্প-সামগ্ৰী তৈয়াৰ কৰা হয়। সম্পূৰ্ণ প্ৰাকৃতিক পদ্ধতিৰে আতচ্‌বাজীবোৰ নিৰ্মিত হোৱাৰ বাবে ইয়াৰ উৎপাদিত সামগ্ৰীৰ পৰিমাণ সীমিত হোৱাৰ লগতে যথেষ্ট অৰ্থ আৰু সময়ৰো প্ৰয়োজন হয়। ফলত এই শিল্পটোৱে আশা কৰা ধৰণে অসমৰ বজাৰ দখল কৰিবলৈ সক্ষম হোৱা নাই। বৰঞ্চ বহিৰাগত আতচ্‌বাজীয়ে শিল্পটোৰ অস্তিত্বৰ প্ৰতি ভাবুকিহে কঢ়িয়াই আনিছে।

ধাতুকেন্দ্ৰিক লোকশিল্প সম্পৰ্কীয় ঃ

- ধাতুকেন্দ্ৰিক লোকশিল্পৰ ক্ষেত্ৰত বৰপেটাৰ সৰ্থেবাৰী অঞ্চল কাঁহ-পিতল শিল্পৰ বাবে অসম প্ৰসিদ্ধ। সেই অঞ্চলত পুৰুষানুক্ৰমে এই শিল্পৰ সৈতে বহু শিল্পী জড়িত হৈ আছে। সেইদৰে অসমৰ অন্য ঠাইৰ দৰে বৰপেটা জিলাৰ কমাৰসকলেও শিল্প নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ দক্ষতা প্ৰদৰ্শন কৰি আহিছে। নিত্য ব্যৱহাৰ্য বিবিধ সা-সঁজুলি নিৰ্মাণ কৰি তেওঁলোকে মানুহৰ চাহিদা পূৰণ কৰি আহিছে। অলংকাৰ তথা অন্যান্য শিল্প-সামগ্ৰী নিৰ্মাণৰ ক্ষেত্ৰতো বৰপেটা জিলাৰ বিশেষ নাম আছে।
- সৰ্থেবাৰীৰ কাঁহ শিল্পৰ বিকাশত অনেকজন শিল্পীৰ জীৱন জোৰা সাধনা, কষ্ট আৰু ত্যাগ নিহিত হৈ আছে। তাৰে ভিতৰত উল্লেখযোগ্য হৈছে পুষ্পৰাম কঁহাৰ। জেইলত থকাৰ সময়তে তেওঁৰ দ্বাৰা নিৰ্মিত বিশেষ শৈলীৰ কাঁহী-বাটি আজিও 'জেইল কাঁহী-বাটি' নামেৰে বিশেষভাৱে পৰিচিত।
- এটা নিৰ্দিষ্ট পদ্ধতিৰ সহায়ত কঁহাৰসকলে কাঁহ শিল্পজাত ভিন্ন সামগ্ৰী নিৰ্মাণ কৰে। কাঁহৰ শিল্পবস্তুবোৰ গঢ়াৰ ক্ষেত্ৰত প্ৰায় একেই পদ্ধতি অৱলম্বন কৰা হয় যদিও নিৰ্দিষ্ট গঢ় প্ৰদান কৰাৰ ক্ষেত্ৰত পাত্ৰভেদে বেলেগ বেলেগ সাঁচ ব্যৱহাৰ কৰা হয়।

- সৰ্থেবাৰীৰ কাঁহ-শিল্পৰ জৰিয়তে বিভিন্ন শিল্পবস্তু তৈয়াৰ কৰা হয়। সেইবোৰৰ ভিতৰত—কাঁহী, বাটি, লোটা, কলহ, টেকেলি, ঘটী, গাগৰি, বটা, চৰিয়া, শৰাই, থাল, তাল আদি উল্লেখযোগ্য। শিল্পবস্তু অনুসৰি এইবোৰৰো আকৌ একাধিক প্ৰকাৰ আছে।
- কাঁহ শিল্পই অৰ্থনৈতিক তথা স্বনিয়োজনৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আছে। শিল্পটোত কেঁচাসামগ্ৰী যোগান ধৰাৰ পৰা আৰম্ভ কৰি এই শিল্পৰ লগত জড়িত শিল্পীসকল, বিক্ৰীৰ লগত জড়িত ব্যৱসায়ীসকল, 'অসম কঁহাৰ সংঘ'ৰ লগত জড়িত হৈ থকা অংশীদাৰসকল তথা ইয়াৰ কাৰ্যালয়সমূহত নিয়োজিত হৈ থকা কৰ্মীসকললৈকে এক বৃহৎ সংখ্যক লোক নিয়োজিত হৈ আছে।
- পিতল শিল্পজাত সামগ্ৰীৰ নিৰ্মাণ তথা এই শিল্পৰ বিকাশত বিভিন্নজন শিল্পী আৰু সমাজ-সেৱকৰ অৰিহণা মন কৰিবলগীয়া। বৰ্তমান প্ৰায় অৰ্ধ শতাধিক পিতলশাল থকা বৰপেটা জিলাত বহু সংখ্যক শিল্পী এই শিল্পৰ সৈতে জড়িত হৈ স্বনিয়োজনৰ পথ মোকলাইছে।
- বিশ্বায়নৰ প্ৰভাৱত বহিৰাগত সামগ্ৰীৰ বজাৰ দখল, কেঁচামালৰ অভাৱ, কেঁচামালৰ বৰ্ধিত মূল্য, সস্তীয়া নকল সামগ্ৰীৰ পয়োভৰ, উন্নত প্ৰশিক্ষণ আৰু সা-সঁজুলিৰ অভাৱ, মূলধনৰ নাটনি, গঢ়শালৰ দুৰ্বল আন্তঃগাঁথনি, সাংগঠনিক দুৰ্বলতা আদি অনেক সমস্যা বৰপেটাৰ কাঁহ-পিতল শিল্পৰ সৈতে জড়িত হৈ আছে। এই ক্ষেত্ৰত চৰকাৰী পৃষ্ঠপোষকতাত উন্নত সা-সঁজুলিৰ সুবিধা আৰু প্ৰশিক্ষণ প্ৰদান, কেঁচামালৰ উৎপাদন বৃদ্ধি, বিজ্ঞাপন প্ৰচাৰ, পৰ্যাপ্ত বিক্ৰী কেন্দ্ৰ স্থাপন আদি দিশসমূহত গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজনীয়তা আছে।
- অন্যান্য শিল্পবস্তুৰ দৰে লোৰ শিল্পবস্তু নিৰ্মাণৰ বাবেও কমাৰসকলে বিশেষ পদ্ধতি আৰু সা-সঁজুলি অৱলম্বন কৰি আহিছে। দৈনন্দিন ঘৰুৱা জীৱনৰ প্ৰয়োজনীয় বিভিন্ন শিল্পবস্তু, বিভিন্ন সা-সঁজুলি, ধৰ্মীয় ক্ষেত্ৰত ব্যৱহৃত ত্ৰিশূল, গছা, মন্দিৰৰ চক্ৰ আদি লোৰ পৰাই বনোৱা হয়।
- এসময়ত লো-শিল্পৰ ক্ষেত্ৰত বৰপেটাৰ এক বিশেষ প্ৰসিদ্ধি আছিল। সম্প্ৰতি বৰপেটাৰ বিভিন্ন অঞ্চলত অৱস্থিত কমাৰ শালসমূহৰ উপৰিও বৃন্দাবনহাটীত গছা, মন্দিৰৰ কলচী, চাকি আদি নিৰ্মাণ কৰা তিনিখনমান প্ৰতিষ্ঠান আছে। মানুহৰ জীৱন-যাত্ৰালৈ অহা পৰিৱৰ্তনৰ ফলত কৃষিজাত তথা ৰন্ধন প্ৰকৰণৰ লগত জড়িত বহু শিল্পবস্তুৰ ব্যৱহাৰ সীমিত হৈ আহিছে। মেচিনত নিৰ্মিত বিকল্প সামগ্ৰীয়ে বজাৰ দখল কৰিছে। ফলত শিল্পটোৰ পৰিসৰ লাহে লাহে সংকুচিত হৈ আহিছে।
- বৰপেটাৰ থলুৱা আ-অলংকাৰ শিল্পই লোক-সমাজক যথেষ্ট প্ৰভাৱিত কৰি আহিছে যদিও বৰ্তমান এই শিল্পটো প্ৰত্যাহ্বানৰো সন্মুখীন হৈছে। ১৯৬৩ চনৰ ৯ জানুৱাৰীত ভাৰত চৰকাৰৰ স্বৰ্ণ নিয়ন্ত্ৰণ আইন (The Gold Control Act, 9th January 1963)খনে স্বৰ্ণ নিৰ্মাতা শিল্পীসকলৰ ওপৰত প্ৰভাৱ পেলায়। ১৯৮৯ চনত আইনখন বাতিল হ'লেও বহিৰাগত স্বৰ্ণ শিল্পীৰ আগমন, কেঁচামালৰ মূল্যবৃদ্ধি আদিৰ প্ৰভাৱত বেছিভাগ লোকশিল্পীয়ে অইন বৃত্তি গ্ৰহণ কৰিলে।
- মুক্ত বাণিজ্য আৰু অৰ্থনীতিৰ প্ৰভাৱত কম সময়তে মেচিনত তৈয়াৰী অলংকাৰবোৰে থলুৱা শিল্পীসকলক বাৰুকৈয়ে জুৰুলা কৰিছে। বজাৰত উপলব্ধ নানা 'ব্ৰেণ্ড'ৰ চমক লগা অলংকাৰবোৰৰ

তুলনাত থলুৱা অলংকাৰবোৰৰ চাহিদা কম যদিও থলুৱা আ-অলংকাৰবোৰ পুনৰ ন ৰূপত বজাৰত উপলব্ধ হোৱা দেখা গৈছে। ফলত সেইবোৰৰ প্ৰতিও গ্ৰাহকৰ আকৰ্ষণ বাঢ়িছে।

প্ৰাকৃতিক সমলেৰে নিৰ্মিত লোকশিল্প সম্পৰ্কীয় ঃ

- বৰপেটা জিলাত প্ৰাকৃতিক সমলেৰে নিৰ্মিত বিবিধ লোকশিল্পৰ চৰ্চা আৰু ব্যৱহাৰ এই পৰ্যন্ত অব্যাহত আছে। তাৰ ভিতৰত হাতীদাঁত শিল্প, মৃৎ শিল্প, বাঁহ-বেত শিল্প, কাঠ শিল্প, বয়ন শিল্প আদি লোকশিল্পসমূহ বিশেষ উল্লেখযোগ্য।
- বৃটিছৰ শাসন কালত প্ৰশাসনীয় বিভিন্ন নীতি-নিৰ্দেশনাৰ ফলত হাতীদাঁত পাবলৈ নাইকিয়া হৈ অহাৰ ফলত বৰপেটাৰ হাতীদাঁত শিল্প লাহে লাহে সংকুচিত হৈ আহিল। শিল্পীসকলেও এই শিল্পৰ জৰিয়তে জীৱন-নিৰ্বাহৰ পৰ্যাপ্ত সুবিধা অৰ্জন কৰিব নোৱাৰি অন্য ক্ষেত্ৰৰ সৈতে জড়িত হৈ পৰিল। এনেবোৰ কাৰণতে হাতীদাঁত শিল্পই আজি মৃত্যুৰ ক্ষণ গণিব লগা অৱস্থা এটাত উপনীত হৈছেহি।
- ঊনৈশ শতিকাৰ আদি ভাগৰ আত্মাৰাম শৰ্মা নামৰ ব্যক্তিজনকে বৰপেটাৰ হাতীদাঁত শিল্পৰ ইতিহাসত প্ৰথমজন শিল্পী হিচাপে অভিহিত কৰা হয়। এওঁৰ পৰৱৰ্তী এই শিল্পৰ লগত জড়িত উল্লেখযোগ্য শিল্পীসকল হ'ল — ৰাধাকান্ত দাস, জগন্নাথ দাস, ভগৱান দাস, নৰহৰি দাস, কৰুণাকান্ত দাস, মনমোহন পাঠক, শৈলেন্দ্ৰনাথ দাস, কমল চন্দ্ৰ বায়ন আৰু অনিল কুমাৰ দাস। এইসকল শিল্পীৰ উপৰিও ডম্বৰু পাঠক, ভূপেন দাস, জয় পাঠক, টিকিন দাস, অনিল দাস, লক্ষ্মীকান্ত দাস, অমৰ দাস, অবিনাশ দাস, অজিৎ দাস, প্ৰমোদ দাস, চিত্তৰঞ্জন দাস, ব্ৰজেন দাস, ৰোহিনী দাস, বদন দাস, কমলচন্দ্ৰ বায়ন আদিসকলেও হাতীদাঁত শিল্পৰ বিকাশ আৰু পৰিপুষ্টিত অৱদান আগবঢ়াই গৈছে।
- বৰ্তমান হাতীদাঁত শিল্পৰ লগত জড়িত বৰপেটাৰ একমাত্ৰ জীৱিত শিল্পীজন হৈছে টিকেন্দ্ৰজিৎ বায়ন। বাৰ্ধক্যজনিত কাৰণত এওঁ শিল্পচৰ্চা কৰিব পৰা অৱস্থাত নাই। গতিকে এই শিল্পটো বৰপেটাৰ পৰা চিৰদিনৰ বাবে লুপ্ত হোৱাৰ সম্ভাৱনাই প্ৰবল।
- বৰপেটাৰ হাতীদাঁত শিল্পই সংকটৰ মুখামুখি হোৱাৰ অন্তৰালত একাধিক কাৰণ জড়িত হৈ আছে। কেঁচা-সামগ্ৰীৰ অভাৱ, চৰকাৰী পদক্ষেপ তথা পৃষ্ঠপোষকতাৰ অভাৱ, উন্নত প্ৰশিক্ষণ তথা প্ৰযুক্তিগত নিৰ্মাণ-কৌশলৰ অভাৱ, সীমিত শিল্পমূল্য, শিল্পসমূহ বিক্ৰীৰ বাবে উপযুক্ত বজাৰ-ব্যৱস্থাৰ অভাৱ আদি সমস্যাসমূহ এই ক্ষেত্ৰত উল্লেখ কৰিবলগীয়া।
- বৰপেটা জিলাৰ ভালেমান ঠাইত মৃৎশিল্পৰ লগত জড়িত কুমাৰ আৰু হীৰা সম্প্ৰদায়ৰ লোকসকলে অনেক কষ্টেৰে মৃৎশিল্পৰ উপযোগী মাটি সংগ্ৰহ কৰি এই শিল্পৰ চৰ্চা অব্যাহত ৰাখিছে। স্থানবিশেষে এই শিল্পীসকলে দৈনন্দিন ব্যৱহাৰ্য বিবিধ শিল্পবস্তু, যেনে ঃ কলহ, টেকেলি, চৰু, মলা আদিৰ লগতে মৃন্ময় প্ৰতিমাও নিৰ্মাণ কৰি মৃৎশিল্পৰ চৰ্চা আৰু বিকাশত অৰিহণা যোগাই আহিছে।
- কুমাৰ আৰু হীৰাসকলৰ মৃৎপাত্ৰ নিৰ্মাণ-পদ্ধতিৰ মাজত পাৰ্থক্য আছে। কুমাৰসকলে চাকৰ সহায়ত আৰু হীৰাসকলে নিৰ্দিষ্ট সঁজুলিৰে কোবাই কোবাই মৃৎপাত্ৰ নিৰ্মাণ কৰে। সেইদৰে মৃণ্ময় প্ৰতিমা নিৰ্মাণ কৰাৰ ক্ষেত্ৰতো খনিকৰসকলে নিৰ্দিষ্ট পদ্ধতি অৱলম্বন কৰিব লগা হয়।

- বৰপেটাৰ মৃৎশিল্পীসকলে অশেষ কষ্ট স্বীকাৰ কৰি এই শিল্পবিধ জীয়াই ৰাখিছে। শিল্পবিধৰ জৰিয়তে তেওঁলোকে পৰ্যাপ্ত উপাৰ্জন লাভ নকৰাৰ বাবে লাহে লাহে ইয়াৰ ক্ষেত্ৰখন সংকুচিত হৈ আহিছে। তদুপৰি এই শিল্প চৰ্চা কৰা উত্তৰসূৰী শিল্পীৰ সংখ্যাও ক্ৰমাৎ কমি অহা পৰিলক্ষিত হৈছে।
- সম্প্ৰতি বৰপেটাৰ মৃৎশিল্প বিভিন্ন সমস্যাৰে জৰ্জৰিত। কেঁচামালৰ অভাৱ, পৰ্যাপ্ত মুনাফা লাভ কৰিব পৰাকৈ শিল্পবস্তুবোৰৰ কম চাহিদা, বিকল্প সামগ্ৰীৰ বজাৰ দখল, মৃৎশিল্পজাত শিল্পবস্তুৰ অল্প স্থায়িত্ব, নিৰ্মাণ-কৌশল আৰু শৈল্পিক সৌন্দৰ্যৰ ক্ষেত্ৰত অভিনৱত্বৰ অভাৱ, শিল্পবস্তুসমূহ বিক্ৰীৰ বাবে উপযুক্ত বজাৰৰ অভাৱ আদি সমস্যাবোৰ এই ক্ষেত্ৰত উল্লেখযোগ্য।
- অসমীয়া লোক-জীৱনৰ সৈতে বাঁহ-বেত এৰাব নোৱাৰাকৈ সম্পৃক্ত হৈ আছে। ঘৰ-দুৱাৰ নিৰ্মাণৰ পৰা আৰম্ভ কৰি কৃষি আৰু ঘৰুৱা বিবিধ সা-সঁজুলি, আচবাব, তাঁতশালৰ সঁজুলি, বাদ্যযন্ত্ৰ, বিভিন্ন মুখা আদি বাঁহ-বেতৰ পৰাই বৰপেটাৰ লোক-সমাজে নিৰ্মাণ কৰি আহিছে।
- সম্প্ৰতি বাঁহ-বেতৰ পৰম্পৰাগত শিল্পবস্তুবোৰৰ চাহিদা তথা প্ৰয়োজনীয়তা কমি অহাৰ পৰিৱৰ্তে কেতবোৰ শিল্পৰ চাহিদা আকৌ বজাৰত বৃদ্ধি হোৱা দেখা গৈছে। বাঁহ-বেতেৰে নিৰ্মাণ কৰা আধুনিক পালেং, চোফা, ডাইনিং টেবুল, আলনা, টেবুল লাইট আৰু চিলিং লাইটৰ ফ্ৰেম, বুক্ চেল্ফ, আলমাৰি আদি আচ্‌বাববোৰ এই ক্ষেত্ৰত উল্লেখযোগ্য। স্বনিয়োজনৰ উপৰিও অসমৰ অৰ্থনীতিতো এই শিল্পবস্তুবোৰে ইতিবাচক প্ৰভাৱ পেলাইছে।
- সম্প্ৰতি গ্ৰাম্য সংস্কৃতিৰ লগতে মানুহৰ জীৱন-জীৱিকালৈ পৰিৱৰ্তন আহিছে। কৃষিকৰ্মৰ পৰম্পৰাগত পদ্ধতিৰ পৰিৱৰ্তনৰ সমান্তৰালভাৱে আজিৰ মানুহ কৃষিৰ উপৰিও আন আন বৃত্তিগত কামত অধিক ব্যস্ত হৈ পৰিছে। গ্ৰাম্য সংস্কৃতিলৈ অহা এনে পৰিৱৰ্তনৰ ফলত অসমৰ লগতে বৰপেটাৰ বাঁহ-বেতৰ লগত জড়িত লোক-সংস্কৃতিৰ বিশাল ক্ষেত্ৰখন ক্ৰমান্বয়ে সংকুচিত হৈ আহিছে। বিশেষকৈ, কৃষিৰ লগত জড়িত সা-সঁজুলিসমূহৰ উপৰিও মাছ ধৰা সঁজুলি, পৰম্পৰাগত তাঁতশিল্প আৰু গৃহ-নিৰ্মাণৰ লগত জড়িত শিল্পসমূহৰ ক্ষেত্ৰত এনে স্থিতি প্ৰত্যক্ষ কৰা যায়।
- অসমৰ লগতে বৰপেটা অঞ্চলৰ কাঠ-শিল্পই যুগ-কাল অতিক্ৰমি সমৃদ্ধিশালী আৰু গতিশীল ৰূপত বিকশিত হৈ আহিছে। পৰিৱৰ্তনশীলতাৰ ধৰ্ম অনুযায়ী আধুনিক শৈলীৰ বিবিধ শিল্পবস্তু অসমীয়া সংস্কৃতিত অন্তৰ্ভুক্ত হৈছে। কাঠশিল্পৰ বাণিজ্যিকীকৰণৰ লগে লগে ইয়াৰ বৰ্ধিত চাহিদা অনুসৰি শিল্পীসকলেও শিল্পবস্তুৰ নিৰ্মাণত নতুন নতুন শৈলী আৰু প্ৰযুক্তি প্ৰয়োগ কৰি ইয়াক অধিক মসৃণ, আকৰ্ষণীয় আৰু শিল্পসন্মত ৰূপ প্ৰদান কৰিবলৈ সক্ষম হৈছে।
- মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তত্ত্বাৱধান আৰু নেতৃত্বত বৈ উলিওৱা 'বৃন্দাবনী বস্ত্ৰ'ৰ ঐতিহ্যৰে বিজড়িত বৰপেটাই বয়ন শিল্পৰ ক্ষেত্ৰতো বিশেষ স্বকীয়তা দাবী কৰে। বৰপেটাৰ জন-জীৱনত শিপিনীসকলে বৈ উলিওৱা কেইবিধমান কাপোৰৰ বিশেষ সাংস্কৃতিক তাৎপৰ্য আছে। সেই কাপোৰসমূহ হ'ল ঃ আনাকাটা কাপোৰ, 'ঘৰচত্‌কা' বা ঘৰ-গছকা কাপোৰ, 'আক্‌ল কাপোৰ', 'মূৰ বান্ধা কাপোৰ', 'পীৰাত পাৰা বস্ত্ৰ', 'ঢাৰিত পাৰা বস্ত্ৰ' আদি।

- সম্প্ৰতি বৰপেটাত পৰম্পৰাগত তাঁতশালৰ প্ৰচলন লাহে লাহে কমি অহা পৰিলক্ষিত হৈছে। ইয়াৰ মূল কাৰণ — যুগৰ পৰিৱৰ্তনৰ লগে লগে শিক্ষাৰ প্ৰসাৰ, উপাৰ্জনৰ অন্য বিকল্প পথৰ সন্ধান তথা নিয়োজন আদি। অৱশ্যে কিছু সংখ্যক মহিলাই শুৱালকুছিৰ বয়ন-পদ্ধতিৰে ভিন্ন ডিজাইনৰ কাপোৰ বোৱাৰ কেতবোৰ প্ৰতিষ্ঠান নতুনকৈ গঢ়ি তুলিছে। মূলতঃ ব্যৱসায়িক উদ্দেশ্য আগত ৰাখি মুকলি কৰা এই প্ৰতিষ্ঠানসমূহে বয়ন শিল্পৰ ক্ষেত্ৰত এক আলোড়নৰ সূচনা কৰিছে বুলি ক'ব পাৰি।
- বিশ্বায়নে এফালে পৰম্পৰাগত শিল্পসমূহলৈ যিদৰে ভাবুকি কঢ়িয়াই আনিছে, আনফালে এইবোৰৰ প্ৰচাৰ-প্ৰসাৰৰ সুযোগ-সুবিধাও এই ব্যৱস্থাটোৰ সৈতে জড়িত হৈ আছে। আগ্ৰহী, ইচ্ছুক তথা উৎসাহী লোকশিল্পীয়ে যিকোনো শিল্পবস্তু নিৰ্মাণ কৰি ইণ্টাৰনেট সংযোজিত যিকোনো ব্যৱস্থা, যেনে ঃ ফেইচ্‌বুক, ইউটিউব, বিভিন্ন পে'জ আদিৰ জৰিয়তে বৃহত্তৰ জন-সমাজৰ মাজত প্ৰচাৰ-প্ৰসাৰ কৰিব পাৰে। এনে প্ৰচাৰ-প্ৰসাৰে শিল্পবোৰক জন-সমাজৰ মাজত পৰিচয় কৰাই দিয়াৰ লগতে মুকলি এখন বজাৰৰো ই সূচনা কৰিব পাৰে। তদুপৰি ইয়াৰ জৰিয়তে লোকশিল্পীসকলৰ নিয়োজন আৰু উপাৰ্জনৰো পথ মুকলি হোৱাৰ অৱকাশ আছে।

মূলতঃ ব্যাৱহাৰিক উদ্দেশ্যেৰে নিৰ্মিত লোকশিল্পবোৰৰ মাজত সংশ্লিষ্ট লোক-সমাজৰ ৰুচিবোধ তথা সৃজনীশীলতাৰ পৰিচয় নিহিত হৈ থাকে। সমাজ আৰু সভ্যতাৰো ই ধাৰক আৰু বাহক। এনে বৈশিষ্ট্যৰ পৰিপ্ৰেক্ষিততে সম্প্ৰতি উপহাৰ-সামগ্ৰী হিচাপে দেশ-বিদেশত লোকশিল্পৰ সমাদৰ যথেষ্ট বৃদ্ধি পাবলৈ লৈছে। এই সুযোগ লোকশিল্প উৎপাদনকাৰীসকলে গ্ৰহণ কৰিব পাৰিলে প্ৰচুৰ পৰিমাণে বৈদেশিক মুদ্ৰা অৰ্জন কৰাৰ সম্ভাৱনা আছে। এই ক্ষেত্ৰত উৎপাদনকাৰী আৰু বিপণনকাৰীৰ মাজত সমন্বয় সাধনৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে। লোকশিল্পীসকলক আৰ্থিকভাৱে সাহাৰ্য প্ৰদানৰ জৰিয়তেও উৎসাহিত কৰিব লাগিব। মেলা, প্ৰদৰ্শনী আদি অনুষ্ঠিত কৰি ইয়াৰ জনপ্ৰিয়কৰণত বিশেষ সহযোগিতা আগবঢ়াব পাৰিলে লোকশিল্পই যথোচিত মৰ্যাদা লাভ কৰিবলৈ সক্ষম হ'ব। নৱপ্ৰজন্মকো প্ৰশিক্ষণ প্ৰদান কৰি ইয়াৰ নিৰ্মাণ পৰম্পৰা জীয়াই ৰাখিব লাগিব। কৃতি লোকশিল্পীক জাতীয় স্বীকৃতি প্ৰদানৰ জৰিয়তে প্ৰণোদিত কৰিলে অনাগত দিনত লোকশিল্পৰ চৰ্চাকাৰীৰ সংখ্যা বৃদ্ধি পাব বুলি আশা কৰিব পাৰি। জিলাই জিলাই লোকশিল্পৰ বিপণন-কেন্দ্ৰ গঢ়ি তুলিলে ব্যৱসায়িক দিশত ই অধিক প্ৰসাৰ লাভ কৰাৰ সম্ভাৱনা আছে। বিদ্যালয়ৰ পাঠ্যক্ৰমতো লোকশিল্পৰ বিষয়টো অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজনীয়তা এই ক্ষেত্ৰত নুই কৰিব নোৱাৰি। প্ৰচাৰ মাধ্যমসমূহৰ জৰিয়তেও লোকশিল্পৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে। এনেবোৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নত লোকশিল্পই তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ অৱকাশ নিহিত হৈ আছে।